ৰাজনীতি

সমষ্টি পুনর্নির্ধাৰণক সমর্থন শাৰদ পাৱাৰৰ এনচিপিৰ, বিৰোধী মিত্রজোঁটত মতভেদ

সমষ্টি পুনর্নির্ধাৰণ প্রক্রিয়াক সমর্থন জনোৱাৰ সিদ্ধান্ত লৈছে শাৰদ পাৱাৰ নেতৃত্বাধীন এনচিপিয়ে। ইয়াকে লৈ বিৰোধী 'ইণ্ডিয়া' মিত্রজোঁটৰ মাজত মতভেদ স্পষ্ট হৈ পৰিছে।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৮



মুম্বাই, ২৭ নৱেম্বৰ: লোকসভা সমষ্টি পুনর্নির্ধাৰণ প্রক্রিয়াক লৈ বিৰোধী 'ইণ্ডিয়া' মিত্রজোঁটৰ মাজত মতভেদ স্পষ্ট হৈ পৰিছে। শাৰদ পাৱাৰৰ নেতৃত্বাধীন নেচনেলিষ্ট কংগ্রেছ পার্টী (শৰদচন্দ্র পাৱাৰ) চমুকৈ এনচিপি (এছ পি)-এ প্রস্তাৱিত সীমা পুনর্নির্ধাৰণ প্রক্রিয়াক সমর্থন কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছে। দলৰ জ্যেষ্ঠ নেতা জিতেন্দ্র আৱহাদে এই কথা সদৰী কৰে।

মুম্বাইৰ ব্রীচ কেণ্ডি হাস্পতালত শুকুৰবাৰে দলৰ মুৰব্বী শাৰদ পাৱাৰৰ সৈতে হোৱা এক বৈঠকৰ অন্তত হাস্পতালৰ বাহিৰত আৱহাদে সাংবাদিকৰ আগত কয় যে সংবিধানৰ বিধান অনুসৰি সমষ্টি পুনর্নির্ধাৰণ কৰাটো বাধ্যতামূলক। দলৰ সাংসদ সুপ্রিয়া ছুলে আৰু অন্যান্য সাংসদসকলে আলোচনা কৰি এই প্রক্রিয়াক সমর্থন জনোৱাৰ সিদ্ধান্ত লৈছে বুলি তেওঁ জনায়।

এনচিপি (এছ পি)ৰ এই ঘোষণাই বিৰোধী শিবিৰত নতুন চর্চাৰ সৃষ্টি কৰিছে। বিশেষকৈ সমষ্টি পুনর্নির্ধাৰণৰ ফলত বিভিন্ন ৰাজ্যৰ লোকসভাৰ প্রতিনিধিত্বত কেনে প্রভাৱ পৰিব, তাক লৈ মিত্রজোঁটৰ দলসমূহৰ মাজত মতপার্থক্য

অব্যাহত আছে।

আনহাতে, সমষ্টি পুনর্নির্ধাৰণৰ সৈতে মহিলা সংৰক্ষণক সংযোগ কৰা বিষয়টোক লৈ সমালোচনা কৰিছে কংগ্ৰেছ সাংসদ শশী থাৰুৰে। তেওঁ উল্লেখ কৰে যে কংগ্ৰেছে সদায় মহিলা সংৰক্ষণৰ পক্ষত স্থিতি লৈ আহিছে আৰু এই ব্যৱস্থা তৎকালীনভাৱে কার্যকৰী হোৱাটো বিচাৰে। মহিলা সংৰক্ষণৰ বাবে সমষ্টি পুনর্নির্ধাৰণৰ কোনো প্ৰয়োজন নাই বুলিও তেওঁ মন্তব্য কৰে।

ইয়াৰ উপৰি ডিএমকে দলৰ স্থিতিকো সমালোচনা কৰে থাৰুৰে। সমষ্টি পুনর্নির্ধাৰণ বিধেয়কখনক সমর্থন জনোৱাৰ ক্ষেত্ৰত ডিএমকে দলে আৰোপ কৰা চর্তক লৈ তেওঁ অসন্তুষ্টি ব্যক্ত কৰে। তামিলনাড়ুত পূর্বে হিন্দী শিক্ষণৰ আশংকাত জৱাহৰ নৱোদয় বিদ্যালয়ৰ বিৰোধিতা কৰা ডিএমকেৰ বর্তমানৰ স্থিতিক লৈও কংগ্ৰেছ সাংসদগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰে।

এনচিপিৰ এনে পদক্ষেপে বিৰোধী ঐক্যৰ মাজত নতুন বিতর্কৰ সূচনা কৰিছে যদিও ইয়াৰ বাবেই সমগ্ৰ মিত্ৰজোঁটিত ভাঙোন ধৰা বুলি ক'ব নোৱাৰি। সংসদত এই সন্দর্ভত দলসমূহে গ্ৰহণ কৰা চূড়ান্ত সিদ্ধান্তৰ পাছতহে বিৰোধীৰ পৰৱর্তী ৰাজনৈতিক ছবিখন স্পষ্ট হ'ব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7027/ncp-sharad-pawar-supports-delimitation-bill-india-bloc